অধ্যায় ১ ঃ পৰিৱেশ অধ্যয়নৰ ধাৰণা

অধ্যায় গাঁথনি

১.১ উদ্দেশ্য

১.২ পৰিচয়

১.৩ পৰিৱেশ অধ্যয়নৰ স্বৰূপ আৰু পৰিসৰ

১.৪ পৰিৱেশ অধ্যয়নৰ বহু বিষয়সমন্বিত স্বৰূপ

১.৫ পৰিৱেশ সম্পৰ্কীয় নীতি-নিয়ম আৰু জনসচেতনতা

১.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১.৭ অধিক জানিবলৈ

১.৮ অগ্রগতিৰ খতিয়ান

১.৯ আৰ্হি প্রশ্ন

১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- 'পৰিৱেশ অধ্যয়ন'ৰ সংজ্ঞা নিৰূপণ কৰিব পাৰিব
- পৰিৱেশ অধ্যয়ন বিষয়টোৰ স্বৰূপ আৰু পৰিসৰ সম্পৰ্কে জ্ঞাত হ'ব
- পৰিৱেশৰ গুৰুত্ব আৰু সুৰক্ষা নীতিৰ বিষয়ে জানিব পাৰিব
- পৰিৱেশ সংৰক্ষণৰ বাবে ব্যৱস্থা ল'ব পাৰিব।

১.২ পৰিচয়

বৰ্তমান সময়ত পৰিৱেশ অধ্যয়ন বিষয়টোৱে সমগ্র পৃথিৱীতে গুৰুত্ব লাভ কৰিছে। এই বিষয়ৰ অধ্যয়ন কৰাটো কম-বেছি পৰিমাণে সকলোৱে বাবে প্রয়োজন। সকলো জীৱ আৰু চৌপাশৰ প্রতিটো সামগ্রী পৰিৱেশৰ অংগ। পৰিৱেশ অধ্যয়নত এই সকলোবোৰ বিষয় অন্তর্ভুক্ত হৈ থাকে। সেয়ে পৰিৱেশ সম্পৰ্কে সকলোৱে এক সামগ্রিক ধাৰণা থকা প্রয়োজন। তদুপৰি এই পৃথিৱীত বাস কৰা সকলোৱে মংগলৰ বাবে পৰিৱেশ সংৰক্ষণ কৰাৰ প্রয়োজনীয়তা উপলব্ধ হয়। জনসংখ্যাৰ দ্রুত বৃদ্ধি, মানুহৰ অর্থনৈতিক কার্যকলাপ আৰু কল-কাৰখানা, যান-বাহনৰ প্রভাৱত প্রকৃতিক পৰিৱেশৰ দ্রুত পৰিৱর্তন ঘটিছে। পৰিৱেশ প্রদূষিত হোৱাৰ বাবে নানান সমস্যাৰ সৃষ্টি হৈছে। এইবোৰৰ সমাধানৰ বাবে পৰিৱেশ সংৰক্ষণ অপৰিহার্য। ইয়াৰ বাবে চৰকাৰ বা এমুঠি অভিযন্তাৰ ওপৰত নির্ভৰশীল নহৈ পৰিৱেশ সুৰক্ষাৰ বাবে জনসচেতনতা বৃদ্ধিৰ প্রয়োজনীয়তা আছে।

এই অধ্যায়টোত আপুনি পৰিৱেশ অধ্যয়নৰ স্বৰূপ, পৰিসৰ, ইয়াৰ সংজ্ঞা, উদ্দেশ্য, গুৰুত্ব, পৰিৱেশ অধ্যয়নৰ বহু বিষয়সমন্বিত স্বৰূপ তথা পাৰিৱেশিক নীতি সম্পৰ্কে অধ্যয়ন কৰিব। তদুপৰি পৰিৱেশ সংৰক্ষণৰ বাবে জনসচেতনতাৰ প্ৰয়োজনীয়তাৰ বিষয়েও জ্ঞাত হ'ব।

১.৩ পৰিৱেশ অধ্যয়নৰ স্বৰূপ আৰু পৰিসৰ

পৰিৱেশ সম্পৰ্কে বহুযুগৰ পৰাই মানুহ সচেতন আছিল বুলি তথ্য পোৱা যায়। বৈদিক যুগৰ ভাৰতীয় সংস্কৃতিত পৰিৱেশ সুৰক্ষাৰ বহুতো ব্যৱস্থা থকাৰ কথা জনা যায়। বিভিন্ন ধৰ্মৰ নীতি অনুসৰি পৰিৱেশৰ অংশ গছ-গছনি, জীৱ-জন্তুক পূজা কৰা হয়। বিভিন্ন পৰিৱেশত যে বিভিন্ন ধৰণৰ জীৱ-জন্তু আৰু উদ্ভিদৰ সৃষ্টি হয় সেই সম্পৰ্কেও কিছু জ্ঞান মানুহে বহু দিনৰ আগতেই আহৰণ কৰিছিল। অৱশ্যে জীৱ আৰু পৰিৱেশে পৰস্পৰে পৰস্পৰৰ ওপৰত কেনেধৰণে প্ৰভাৱ পেলায় এই সম্পৰ্কে বিজ্ঞানসন্মত অধ্যয়ন আৰম্ভ হয় ১৮৬৯ চনতহে। আৰন্ষ্ট হেকেলে (Earnst Haeckel) পৰিৱেশ অধ্যয়নৰ প্ৰয়োজনীয়তা সম্পৰ্কে পোন প্ৰথমবাৰৰ বাবে বৈজ্ঞানিক ব্যাখ্যা আগবঢ়াইছিল। তেওঁ এই অধ্যয়নক পৰিস্থিতি বিজ্ঞান বা ই'কলজি (Ecology) বুলিছিল। এই বাটকটীয়াসকলৰ কৰ্মৰাজিৰ বাবেই হওক বা মানুহে ব্যক্তিগত জীৱনত লাভ কৰা অভিজ্ঞতাৰ বাবেই হওক লাহে লাহে পৰিৱেশ সংৰক্ষণৰ ধাৰণা মানুহৰ মাজত কম বেছি পৰিমাণে বিস্তাৰিত হৈছে। পৰিৱেশ অধ্যয়ন বিষয়টোৱেও এনেদৰেই গুৰুত্ব লাভ কৰি আহিছে। স্বাস্থ্যসন্মত পৰিৱেশৰ বাবে আমাক প্ৰধানকৈ লাগে —

- বিশুদ্ধ বায়ু
- পৰিষ্কাৰ আৰু পৰ্যাপ্ত পানী
- বৃদ্ধি আৰু চলাফুৰাৰ বাবে পৰ্যাপ্ত ঠাই আৰু
- শৰীৰ গঠনৰ বাবে অজৈৱিক লোণ আৰু শক্তি।

প্ৰকৃতাৰ্থত মানুহ তথা সকলো প্ৰাণী উদ্ভিদৰ ওপৰতে নিৰ্ভৰশীল। প্ৰতিজোপা উদ্ভিদে আকৌ বিভিন্ন ধৰণৰ অনুজীৱ, পোক-পৰুৱা, চৰাই-চিৰিকতি আদিৰ পৰা নানা ধৰণৰ উপকাৰ পাই জীয়াই থাকে। এনেদৰে মানুহ এই ধৰাত জীয়াই থকাৰ বাবে প্ৰত্যক্ষ বা পৰোক্ষভাৱে উদ্ভিদ আৰু প্ৰাণীবোৰৰ ওপৰত নিৰ্ভৰ কৰিব লাগে। সেয়েহে কোৱা হয় —

- সকলো জীৱ আৰু জড় বস্তুৰ সন্মিলিত ক্ৰিয়াৰ ফলত পৰিৱেশ গঠিত
- সকলো ধৰণৰ জীৱ পৰিৱেশ ৰক্ষাৰ বাবে প্ৰয়োজনীয় আৰু
- পৰিৱেশত প্ৰতিটো জীৱ পৰস্পৰ নিৰ্ভৰশীল।

এনেবোৰ কাৰণৰ বাবেই ক্ৰমান্বয়ে প্ৰায় সকলো দেশতে পৰিৱেশ সংৰক্ষণৰ আন্দোলন আৰম্ভ হৈছে। ১৮৫৯ চনত প্ৰকাশ কৰা *অৰিজিন অৱ স্পেচিজ (Origin of Species)* নামৰ গ্ৰন্থত চাৰ্লছ ডাৰউইন (Charles Darwin)-এ পোন প্ৰথমবাৰৰ বাবে জীৱ আৰু বাসস্থানৰ মাজৰ নিবিড় সম্পৰ্কৰ বিষয়ে বৈজ্ঞানিক তথ্যপাতি সহকাৰে যুক্তি দাঙি ধৰিছিল। অৱশ্যে ইয়াৰ

পূৰ্বেও ৰালফ্ এমার্ছন (Ralph Emerson)-এ ১৮৪০ চনত ব্যৱসায় বাণিজ্যৰ প্ৰসাৰে পৰিৱেশৰ যে ক্ষতিসাধন কৰিব পাৰে সেই কথাৰ সকিয়াই দিছিল। ৰাচেল কার্ছন (Rachel Carson) নামৰ আমেৰিকান মহিলা এগৰাকীয়ে কীটনাশক দ্ৰব্য ব্যৱহাৰৰ বিষময় প্ৰভাৱ সম্পৰ্কে লিখা এলানি প্ৰবন্ধ আৰু *ছাইলেন্ট স্প্ৰিং (Silent Spring)* নামৰ গ্ৰন্থখনকে আধুনিক পৰিৱেশ আন্দোলনৰ পথ-প্ৰদৰ্শক বুলিব পাৰি।

ভাৰতো এই ক্ষেত্ৰত পিচ পৰি থকা নাই। পক্ষীবিদ চেলিম আলিয়ে লিখা *বুক অব্ ইণ্ডিয়ান বার্ডছ্ (Book of Indian Birds)* আৰু তেওঁৰ আত্মজীৱনী *ফল্ অব্ এ স্পেৰ' (Fall of a Sparrow)*-ক ভাৰতত পৰিৱেশ শিক্ষা আৰু পৰিৱেশ আন্দোলনৰ পথ নিৰ্দেশক বুলি কোৱা হয়। চিপ্‌কো আন্দোলনৰ গুৰি ধৰোঁতা সুন্দৰলাল বহুগুনা আৰু নৰ্মদা বান্ধৰ বাবে ক্ষতিগ্ৰস্তসকলৰ সপক্ষে থিয় দিয়া শ্ৰীমতী মেধা পাটকাৰৰ অবিহণা নিঃসন্দেহে পৰিৱেশ সুৰক্ষা আন্দোলনৰ মাইলৰ খুঁটি। এম. চি. মেহতাই তাজমহলৰ সুৰক্ষা, গংগা পৰিষ্কাৰ আঁচনি আৰু পৰিৱেশ শিক্ষা স্কুল-কলেজৰ পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰাৰ বাবে আদালতত তৰা জনস্বাৰ্থ জড়িত গোচৰবোৰৰ জৰিয়তে চলোৱা পৰিৱেশ সুৰক্ষা আন্দোলন এই ক্ষেত্ৰৰ উল্লেখযোগ্য অবিহণা।

পৰিৱেশ অধ্যয়ন বিষয়টোৰ পৰিসৰ অতি বহল। এই বিষয়টোত বিভিন্ন ক্ষেত্ৰ আৰু অসংখ্য উপাদান সামৰিব লগা হোৱাৰ বাবে বিষয়টোৰ পৰিসৰ অধিক বহল হৈ পৰিছে। এই বিষয়টোত অধ্যয়ন কৰিব লগীয়া বিষয়বস্তুসমূহ এনেধৰণৰ —

- প্ৰাকৃতিক সম্পদ— এইবোৰৰ সংৰক্ষণ আৰু ব্যৱস্থাপনা
- পৰিস্থিতিতন্ত্ৰ আৰু জীৱবৈচিত্ৰ্য
- পৰিৱেশ প্ৰদূষণ আৰু নিয়ন্ত্ৰণ
- পৰিৱেশ আৰু উন্নয়নৰ লগত জড়িত সামাজিক সমস্যাসমূহ
- জনসংখ্যা আৰু পৰিৱেশ

আমাৰ ব্যৱহাৰযোগ্য প্ৰকৃতিপ্ৰদত্ত সকলোবোৰ সামগ্ৰীকে প্ৰাকৃতিক সম্পদ বোলা হয়। আমাৰ সকলোবোৰ অত্যাৱশ্যকীয় অভাৱ পুৰণ তথা স্বচ্ছল আৰু আৰামী জীৱন-যাপনৰ বাবে প্ৰয়োজনীয় সকলো সামগ্ৰী আমি প্ৰকৃতিৰ পৰাই পাওঁ। এই সামগ্ৰীবোৰৰ প্ৰায় ভাগৰে যোগান সীমিত। আনহাতে জনসংখ্যা বৃদ্ধি আৰু বিলাসী জীৱন-যাপনৰ প্ৰৱণতাই এনে সামগ্ৰীবোৰৰ ব্যৱহাৰৰ মাত্ৰা দ্ৰুততৰ কৰি তুলিছে। তদুপৰি জধে-মধে ব্যৱহাৰ কৰাৰ ফলত বৰ্তমান প্ৰকৃতিপ্ৰদত্ত বহুতো সম্পদৰ নাটনি হৈছে। সেয়েহে এনে সম্পদৰাজি কেনেদৰে সংৰক্ষণ কৰা উচিত আৰু কেনেদৰে উপযুক্ত ব্যৱহাৰ কৰিব পাৰি — এইবোৰ পৰিৱেশ অধ্যয়নৰ আলোচ্য বিষয়।

সাম্প্ৰতিক কালত পৃথিৱীত থকা বিভিন্ন উদ্ভিদ আৰু প্ৰাণীসমূহ কোটি কোটি বছৰ ধৰি নানা পৰিবৰ্তন তথা বিৱৰ্তনৰ মাজেৰে আহি বৰ্তমানৰ অৱস্থা পাইছেহি। প্ৰকৃতিত উদ্ভিদ আৰু প্ৰাণীয়ে পৰস্পৰৰ মাজত এক নিবিড় সম্পৰ্ক গঢ়ি তোলে। ইয়াকে চমুকৈ কোৱা হয় পৰিস্থিতিতন্ত্ৰ। উদ্ভিদ আৰু প্ৰাণীৰ অৱস্থিতিৰ প্ৰতিটো ক্ষেত্ৰতে প্ৰকৃতিৰ ভৌতিক উপাদানবোৰে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। জৈৱ আৰু অজৈৱ উপাদানবোৰে যৌথভাৱে সৃষ্টি কৰা বিভিন্ন পৰিস্থিতি তন্ত্ৰত ভিন্ ভিন্

প্রজাতিৰ প্রাণী আৰু উদ্ভিদৰ সৃষ্টি হৈছে। কোনো এক পৰিস্থিতিতন্ত্রত থকা জীৱাণুৰ পৰা আৰম্ভ কৰি ভিন্ ভিন্ উদ্ভিদ আৰু প্রাণী প্রজাতিৰ বিচিত্রতা আৰু ভিন্নতাই হ'ল জীৱবৈচিত্র্য। এই জীৱবৈচিত্র্য আৰু পৰিস্থিতিতন্ত্রৰ অধ্যয়ন পৰিৱেশ অধ্যয়নৰ অন্যতম আলোচ্য বিষয়।

বায়ু, পানী, আৰু মাটিভাগৰ ভৌতিক, ৰাসায়নিক আৰু জৈৱিক অৱস্থাৰ অবাঞ্ছিত পৰিৱর্তনকে চমুকৈ প্রদূষণ বুলি ক'ব পাৰি। পৰিৱেশৰ উপাদানবোৰৰ পৰিৱর্তনে জীৱৰ স্বাভাৱিক জীৱন প্রক্রিয়াত গভীৰ প্রভাৱ পেলায়। আনকি কোনো কোনো সময়ত বিভিন্ন জীৱ প্রজাতিৰ অস্তিত্বও বিপদাপন্ন কৰি তোলে। কিছুমান প্রাকৃতিক কাৰণ আৰু প্রধানকৈ মানৱসৃষ্ট কাৰণৰ বাবে প্রদূষণৰ সৃষ্টি হৈছে। বিভিন্ন ধৰণৰ প্রদূষণ কেনেদৰে সৃষ্টি হয়, প্রকৃতিৰ ওপৰত ইয়াৰ প্রভাৱ কি আৰু কেনেদৰে ইয়াক ৰোধ কৰিব পাৰি আদি বিষয়ো পৰিৱেশ অধ্যয়নত আলোচনা কৰা হয়।

মানুহে বিদ্যা-বুদ্ধিৰ বলেৰে প্রাকৃতিক সম্পদ ভিন্ ভিন্ কামত বিভিন্ন ধৰণে ব্যৱহাৰ কৰি আহিছে। আন প্রাণীৰ দৰে মানুহে প্রকৃতিৰ নিয়ম মানি চলাৰ বিপৰীতে বিজ্ঞান আৰু প্রযুক্তি কৌশলৰ জৰিয়তে প্রকৃতিক জয় কৰিবলৈ অহৰহ চেষ্টা চলাই আহিছে। ইয়াৰ ফলত প্রকৃতিৰ ওপৰত পৰা বিৰূপ প্রভাৱে প্রকৃতিৰ স্বাভাৱিক পৰিৱেশ বিনষ্ট কৰিছে। এইবোৰে মানৱ সমাজত যিবোৰ সমস্যা সৃষ্টি কৰিছে সেইবোৰৰ বিষয়েও পৰিৱেশ অধ্যয়নত আলোচনা কৰা হয়।

জনসংখ্যাৰ দ্রুত বৃদ্ধি বহুতো সমস্যাৰ মূল কাৰণ। বিজ্ঞান আৰু প্রযুক্তি কৌশলৰ প্রয়োগৰ ফলত মানুহৰ মৃত্যুৰ হাৰ কমিছে। আনহাতে বেছিভাগ দেশতে জন্মৰ হাৰ বৃদ্ধি হৈছে। বর্ধিত জনসংখ্যাৰ প্রয়োজনীয় অভাৱ পুৰণৰ বাবে প্রাকৃতিৰ পৰা অধিক সম্পদ আহৰণ কৰিবলগীয়া হৈছে। এনেদৰে প্রকৃতিৰ ওপৰত পৰা অধিক হেঁচাৰ বাবে প্রাকৃতিক পৰিৱেশৰ দ্রুত পৰিৱর্তন ঘটিছে। সেয়েহে জনসংখ্যা বৃদ্ধিৰ ফলত প্রকৃতিৰ ওপৰত পৰা প্রভাৱ বিশ্লেষণ কৰাও পৰিৱেশ অধ্যয়নৰ অন্যতম বিষয়বস্তু।

- **পৰিৱেশ অধ্যয়নৰ সংজ্ঞা ঃ** পৰিৱেশ অধ্যয়ন হ'ল প্রাকৃতিক আৰু মানৱ সৃষ্ট বৈজ্ঞানিক, আর্থ-সামাজিক আদি দিশৰ পদ্ধতিগত অধ্যয়ন। পৰিৱেশৰ উপাদানবোৰ জীৱ আৰু জড়— এই দুটা ভাগত বিভক্ত। এই জীৱ আৰু জড়ৰ মাজত থকা সম্পর্ক তথা যিকোনো এটা উপাদানৰ সামান্য পৰিৱর্তনে আনবোৰ উপাদানৰ ওপৰত কেনেদৰে প্রভাৱ পেলায় সেয়াই পৰিৱেশ অধ্যয়নত আলোচনা কৰা হয়।
- **পৰিৱেশ অধ্যয়নৰ উদ্দেশ্য ঃ** পৰিৱেশ অধ্যয়নৰ মুখ্য উদ্দেশ্য হ'ল পৰিৱেশ মানে কি আৰু পৰিৱেশৰ উপাদানবোৰৰ মাজৰ সম্পর্ক কেনে— এই বিষয়ে আলোচনা কৰা। প্রকৃতিত থকা বিভিন্ন জীৱ আৰু জড় উপাদানসমূহৰ সম্পর্ক, জীৱৰ বিভিন্ন প্রজাতিবোৰৰ মাজৰ সম্পর্ক, জীৱ প্রজাতিবোৰৰ ওপৰত মানুহ কেনেদৰে নির্ভৰশীল আৰু মানুহৰ কার্যকলাপে এইবোৰৰ ওপৰত কেনেদৰে প্রভাৱ পেলাইছে — এনেবোৰ বিষয়ৰ আলোচনাই পৰিৱেশ অধ্যয়নৰ অন্যতম উদ্দেশ্য। তদুপৰি পৰিৱেশৰ ভাৰসাম্য ৰক্ষা কৰি কেনেদৰে মানুহ আৰু জীৱ প্রজাতি এই পৃথিৱীত সুদীর্ঘকালৰ বাবে বর্তি থাকিব পাৰে তাৰ বাবেও মানৱ জাতিক সচেতন কৰি তোলাই হ'ল এই বিষয়ৰ অন্যতম উদ্দেশ্য।

১.৪ পৰিৱেশ অধ্যয়নৰ বহু বিষয়সমন্বিত স্বৰূপ

পৰিৱেশ অধ্যয়নৰ সূত্ৰৰ পৰাই এই কথা স্পষ্ট হৈ পৰিছে যে ই এক ভিন্ন বিষয় জড়িত হৈ থকা বিভাগ। পৰিৱেশৰ সমস্যাসমূহ বুজাৰ বাবে আৰু সমাধানৰ বাবে বিজ্ঞান, প্ৰযুক্তি, কলা, বাণিজ্য, আইন, চিকিৎসা, কম্পিউটাৰ আদি বিষয়সমূহৰো সম্যক ধাৰণা থকাৰ প্ৰয়োজন। সেই বাবেই পৰিৱেশ অধ্যয়নক বহু বিষয়ক অধ্যয়ন বুলি কোৱা হয়। পৃথিৱীক ধ্বংসৰ গৰাহৰ পৰা ৰক্ষা কৰিবৰ বাবে পৰিৱেশৰ উপাদানবোৰৰ মাজৰ সম্বন্ধ সম্পৰ্কে সম্যক ধাৰণা লাভ কৰাৰ লগতে এইবোৰৰ ৰক্ষণাবেক্ষণ কেনেদৰে কৰিব লাগে সেই বিষয়েও জ্ঞান আহৰণ কৰাৰ আৱশ্যকতা আছে। পৰিৱেশ অধ্যয়নত সেই বিষয়সমূহ অন্তৰ্ভুক্ত। সেয়েহে পৰিৱেশ অধ্যয়ন বহু বিষয়ৰ সমষ্টি বুলি কোৱা হয়।



অগ্ৰগতিৰ নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ আপুনি ভাবে নেকি যে পৰিৱেশ অধ্যয়ন কেৱল বিজ্ঞান শাখাৰ বিষয় ?

.....

প্ৰশ্ন নং ২ ঃ জনসংখ্যাৰ বৃদ্ধিয়ে পৰিৱেশৰ ওপৰত কেনেধৰণৰ প্ৰভাৱ পেলায় ?

.....

.....

.....



অনুশীলনী

১) পৰিৱেশৰ কোনবোৰ উপাদানে আপোনাৰ দৈনন্দিন জীৱনৰ কাৰ্যকলাপত প্ৰভাৱ পেলাইছে নিৰীক্ষণ কৰক।

২) পৰিৱেশ প্ৰদূষিত নহ'বৰ বাবে আপুনি নিজাববীয়াকৈ কি কি ব্যৱস্থা ল'ব পাৰে সেইবোৰ লিপিবদ্ধ কৰক।

১.৫ পৰিৱেশ সম্পৰ্কীয় নীতি-নিয়ম আৰু জনসচেতনতা

পৰিৱেশ সম্পৰ্কীয় নীতিত মানুহ আৰু পৰিৱেশৰ আন উপাদানবোৰৰ মাজত সংঘটিত সংঘাতৰ বাবে উদ্ভৱ হোৱা সমস্যাৱলী, পৰিৱেশৰ স্বকীয় নিয়ম-নীতি আৰু পৰিৱেশ সংৰক্ষণৰ নিৰ্দেশনাৱলী আদি বিষয়সমূহ সামৰা হৈছে। পৰিৱেশকেন্দ্ৰিক সমস্যাবোৰ আচলতে মানুহৰ মন আৰু কৃতকৰ্মৰ বহিৰ্প্ৰকাশ। মানৱকেন্দ্ৰিক চিন্তাধাৰাত প্ৰকৃতিৰ সকলো উপাদানেই মানুহৰ বাবে প্ৰয়োজনীয় বুলি বিবেচনা কৰা হয়। ইয়াৰ বাবেই প্ৰাকৃতিক সম্পদ যধে-মধে ব্যৱহাৰ কৰাৰ ফলত পৰিৱেশজনিত সমস্যাবোৰৰ সৃষ্টি হৈছে। ইয়াৰ বিপৰীতে প্ৰকৃতিকেন্দ্ৰিক চিন্তাধাৰাত

প্ৰকৃতিক মাতৃ ৰূপে জ্ঞান কৰি প্ৰাকৃতিক উপাদানবোৰৰ সুৰক্ষাত গুৰুত্ব আৰোপ কৰা হয়। এনে চিন্তাধাৰাই সকলো জীৱ প্ৰজাতিৰ বাবে অনুকূল প্ৰাকৃতিক পৰিৱেশ বজাই ৰখাত সহায় কৰে। এই দুই বিপৰীতমুখী চিন্তাধাৰাৰ আলমতে প্ৰকৃতিৰ এক ধাৰণক্ষম পৰিৱেশ বৰ্তাই ৰখাৰ বাবে কিছুমান নিৰ্দেশাৱলী প্ৰস্তুত কৰা হৈছে। সেইবোৰ হ'ল —

- প্ৰকৃতিয়ে আমাক জীৱন-নিৰ্বাহৰ বাবে প্ৰয়োজনীয় সকলো উপাদান প্ৰদান কৰিছে, সেয়ে প্ৰকৃতিক ভাল পোৱা আৰু আদৰ কৰাটো আমাৰ কৰ্তব্য।
- আমি প্ৰতিটো দিনেই পৱিত্ৰ দিন হিচাপে লোৱা উচিত, কাৰণ প্ৰতিটো দিনত হোৱা প্ৰকৃতিৰ স্বাভাৱিক পৰিৱৰ্তনে আমালৈ নতুন ঋতুৰ বতৰা আনে।
- নিজকে জীৱশ্ৰেষ্ঠ বুলি বিবেচনা কৰি মানুহে আন প্ৰাণীবোৰক বিলুপ্তিৰ ফালে ঠেলি দিয়াৰ অধিকাৰ নাই।
- আমি উদ্ভিদ আৰু প্ৰাণীবোৰৰ প্ৰতি সদায় কৃতজ্ঞ হৈ থকা উচিত, কাৰণ আমাৰ জীৱন ধাৰণৰ বাবে প্ৰয়োজনীয় খাদ্য উদ্ভিদ আৰু প্ৰাণীবোৰেই প্ৰদান কৰে।
- মানুহে জনসংখ্যাৰ দ্ৰুত বৃদ্ধি ৰোধ কৰিব লাগিব, কাৰণ অধিক জনসংখ্যা প্ৰকৃতিৰ বোজাস্বৰূপ।
- প্ৰকৃতিৰ দুৰ্লভ সম্পদৰাজি মাৰণাস্ত্ৰ তৈয়াৰ কৰাৰ দৰে ধ্বংসমুখী কাৰ্যকলাপৰ বাবে অপচয় কৰা অনুচিত।
- কেৱল নিজৰ স্বাৰ্থ সিদ্ধিৰ বাবে প্ৰকৃতি ধ্বংস কৰাৰ বিপৰীতে প্ৰকৃতিত হোৱা ক্ষয়-ক্ষতি কেনেদৰে ৰোধ কৰিব পাৰি তাৰ বাবেহে চেষ্টা কৰা উচিত।
- আমাৰ কৃতকৰ্মৰ বাবে হোৱা প্ৰকৃতিৰ ক্ষতিৰ কাৰণে আমি জগৰীয়া নহয় বুলি ক'ব খোজাতো পলায়নৰ এক অপচেষ্টা মাথোন।
- আমি কৰা প্ৰকৃতি বিনাশ আৰু প্ৰদূষণৰ বাবে যাতে আমাৰ ভৱিষ্যৎ প্ৰজন্মই প্ৰকৃতিৰ নিৰ্মল আৰু নিৰাপদ পৰিৱেশ ভোগ কৰাৰ পৰা বঞ্চিত নহয় তাৰ প্ৰতি সচেতন হোৱা উচিত।
- প্ৰকৃতিৰ সীমিত সম্পদৰাজি যাতে সকলোৱে সমানে ভোগ কৰিবলৈ পায় তাৰ বাবে প্ৰত্যেকেই সম্পদৰ ব্যৱহাৰ যথাসম্ভৱ সীমিত কৰা উচিত।
- **জনসচেতনা ঃ** পৰিৱেশ সংৰক্ষণত জনসহযোগ নাথাকিলে কোনো চৰকাৰ বা কোনো বিভাগেই পৰিৱেশ সংৰক্ষণ তথা পৰিৱেশ উন্নয়নত সফলতা লাভ কৰিব নোৱাৰে। জনসহযোগ নিৰ্ভৰ কৰে জনসচেতনতাৰ ওপৰত। পৰিৱেশকেন্দ্ৰিক সমস্যাবোৰ কিয়, কেনেদৰে উদ্ভৱ হয় তাৰ জ্ঞান দিব নোৱাৰিলে তেনে সমস্যা সমাধানত সৰ্বসাধাৰণ ৰাইজৰ সহযোগিতা আশা কৰিব নোৱাৰি। উদাহৰণস্বৰূপে বৰ্তমান বহুল ব্যৱহৃত পলিথিন পৰা কি কি সমস্যা হয়, ই কেনেধৰণৰ প্ৰদূষণৰ সৃষ্টি হয় তাৰ প্ৰতি সৰ্বসাধাৰণ সজাগ নহ'লে আইন প্ৰণয়নৰ জৰিয়তে সমস্যাবোৰ সমাধান কৰিব নোৱাৰি। মানুহে নিজ কৰ্মৰ কুফল ভোগ কৰি পৰিৱেশ সুৰক্ষাৰ প্ৰয়োজনীয়তা অনুভৱ কৰাতকৈ প্ৰচাৰ আৰু পৰিৱেশ শিক্ষাৰ জৰিয়তে পৰিৱেশ কেন্দ্ৰীক সমস্যা উদ্ভৱ হোৱাত বাধা দিব পৰাটোহে হ'ব আদৰণীয় পদক্ষেপ। সেয়েহে পৰিৱেশ সজাগতা পৰিৱেশ সুৰক্ষাৰ মূলমন্ত্ৰ বুলিব পাৰি।



অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ জীৱবৈচিত্র্য সংৰক্ষণৰ এটা প্রধান কাৰণ উল্লেখ কৰক।

.....

.....

প্রশ্ন নং ৪ ঃ পৰিৱেশ সংৰক্ষণৰ বাবে জনসচেতনতাৰ প্রয়োজন আছেনে?

.....

.....

.....



অনুশীলনী

১) আপোনাৰ বাসস্থানৰ চৌপাশে পোৱা উদ্ভিদ আৰু প্রাণীৰ প্রজাতিবোৰৰ এখন তালিকা প্রস্তুত কৰক আৰু আমাৰ বাবে সেইবোৰৰ প্রয়োজনীতা কি সেয়া লিপিবদ্ধ কৰক?

২) পৰিৱেশ সংৰক্ষণৰ বাবে আপুনি জনা কথাবোৰ বন্ধু-বান্ধৱ তথা সৰু-ডাঙৰ সকলোৰে লগত আলোচনা কৰক আৰু জনসচেতনতা বৃদ্ধি কৰিবলৈ যত্ন কৰক।



১.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- বিভিন্ন পৰিৱেশত যে ভিন্ ভিন্ ধৰণৰ জীৱ-জন্তু আৰু উদ্ভিদৰ সৃষ্টি হয় সেই সম্পর্কেও কিছু জ্ঞান মানুহে বহু দিনৰ আগতেই আহৰণ কৰিছিল। জীৱ আৰু পৰিৱেশে পৰস্পৰে পৰস্পৰৰ ওপৰত কেনেধৰণে প্রভাৱ পেলায় এই সম্পর্কে বিজ্ঞানসন্মত অধ্যয়ন আৰম্ভ হয় ১৮৬৯ চনতহে। আৰন্ষ্ট হেকেলে (Earnst Haeckel) পৰিৱেশ অধ্যয়নৰ প্রয়োজনীয়তা সম্পর্কে পোন প্রথমবাৰৰ বাবে বৈজ্ঞানিক ব্যাখ্যা আগবঢ়াইছিল।
- পৰিৱেশ অধ্যয়ন বিষয়টো এনে এক বিষয় যিটো কলা, বিজ্ঞান, বাণিজ্য, আইন আদি সকলো শাখাৰ বাবে প্রয়োজন।
- পৰিৱেশৰ প্রভাৱ আমাৰ সকলোবোৰ কাম-কাজত পৰে, সেয়ে আমি পৰিৱেশ সম্পর্কে নাজানিলে আমাৰ শিক্ষা অসম্পূর্ণ হৈ ৰ'ব।
- পৰিৱেশ যিমানেই প্রদূষিত হ'ব আমাৰ জীৱনো সিমানেই বিপদাপন্ন হ'ব। সেয়েহে মানুহকে ধৰি সকলো জীৱ প্রজাতি এই পৃথিৱীত বর্তি থকিবৰ বাবে পৰিৱেশ সংৰক্ষণ কৰিব লাগে।

- পৰিৱেশ সংৰক্ষণৰ দায়িত্ব কেৱল চৰকাৰৰে নহয়। ইয়াক ৰক্ষা কৰাৰ বাবে সকলো লোকেই সজাগ হ'ব লাগে। সেই বাবে সুস্থ পৰিৱেশৰ প্ৰয়োজনীয়তা আৰু পৰিৱেশ কেনেদৰে সুৰক্ষা কৰিব পাৰি তাৰ বাবে সৰ্বসাধাৰণক সজাগ কৰি তোলাৰ প্ৰয়োজনীয়তা আছে ।



১.৭ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) গগৈ, ৰোহিনী আৰু অন্যান্য(২০০৬); *পৰিৱেশ অধ্যয়ন;* গুৱাহাটী ঃ বনলতা।

২) ভট্টাচার্য্য, কৃষ্ণগোপাল; ভট্টাচার্য্য, ৰঞ্জিত নাথ আৰু সিদ্ধিনাথ শর্মা (২০০৯) ; *পৰিৱেশ অধ্যয়ন;* গুৱাহাটীঃ অসম বুক ডিপো।

ইংৰাজী গ্ৰন্থ ঃ

৩) Asthana, D. K. & Meera A. (2012) *A Textbook of Environmental Studies*. New Delhi: S. Chand and Company Ltd.

৪) Bharucha, E. (2004). *A Textbook of Environmental Studies.* New Delhi: UGC.

৫) Kaushik, A. & Kaushik, C. P.(2006) *Perspectives in Environmental Studies.* India: New Age Publications (Academic).



১.৮ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ নাভাবো।

২ নং প্ৰশ্নৰ উত্তৰ ঃ বৰ্ধিত জনসংখ্যাৰ প্ৰয়োজনীয় অভাৱ পুৰণৰ বাবে প্ৰাকৃতিৰ পৰা অধিক সম্পদ আহৰণ কৰিবলগীয়া হৈছে। এনেদৰে প্ৰকৃতিৰ ওপৰত পৰা অধিক হেঁচাৰ বাবে প্ৰকৃতিক পৰিৱেশৰ দ্ৰুত পৰিৱৰ্তন ঘটিছে।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ প্ৰকৃতিয়ে আমাক জীৱনৰ্নিৰ্বাহৰ বাবে প্ৰয়োজনীয় সকলো উপাদান প্ৰদান কৰিছে, সেয়ে প্ৰকৃতিক ভাল পোৱা আৰু আদৰ কৰাটো আমাৰ কৰ্তব্য।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ আছে।



১.৯ আৰ্হি প্ৰশ্ন

বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ পৰিৱেশ অধ্যয়ন বুলিলে কি বুজে?

প্ৰশ্ন ২ ঃ পৰিৱেশ অধ্যয়নৰ পৰিসৰ কিমান ব্যাপক?

চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ ভিন্ন বৈষয়িক বিষয় হিচাপে পৰিৱেশ অধ্যয়ন কি কি শিক্ষা বিষয়ৰ লগত সম্পৰ্কিত— ব্যাখ্যা কৰক।

প্ৰশ্ন ২ ঃ পৰিৱেশিক নীতিবোৰৰ প্ৰয়োজনীয়তা ব্যাখ্যা কৰক।

ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ বৰ্তমান অৱস্থাত পৰিৱেশ অধ্যয়ন বিষয় হিচাপে কিমান প্ৰয়োজন ?

প্ৰশ্ন ২ ঃ জীৱবৈচিত্ৰ্য ৰক্ষাত পৰিৱেশ অধ্যয়নৰ প্ৰয়োজনীয়তা কি ? বহলাই লিখক।

প্ৰশ্ন ৩ ঃ প্ৰদূষণ নিয়ন্ত্ৰণত পৰিৱেশ অধ্যয়নে কেনেদৰে সহায় কৰিব বুলি ভাবে ? আলোচনা কৰক।

*** **** ***